**অসম বিধান সভা**

**তৰা চিহ্নীত প্ৰশ্ন নং – * ১৭৭**

**উত্তৰ দিয়াৰ তাৰিখ : ২২/০৭/২০২৬**

*বিষয়* : বিদেশী বিতাড়ন, অসমীয়াৰ সংজ্ঞা আদি সম্পৰ্কে। বিধায়ক : শ্ৰী আব্দুৰ ৰহিম আহমেদঃ

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ পৰা যোৱা ১০ বছৰে দেশানুযায়ী কিমান অবৈধ নাগৰিক অসমৰ পৰা বিতাড়ন কৰা হ'ল তলৰ তালিকানুসৰি জনাব।

| দেশ | বৰ্ষ | বিতাড়িত সংখ্যা |
|---|---|---|
| | | |

(খ) "অসমীয়া"ৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হ'লনে? যদি হোৱা নাই, এয়া কি পৰ্য্যায়ত আছে জনাব।

(গ) মাননীয় ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটিৰ কোনবোৰ পৰামৰ্শ ৰূপায়ণ কৰিবলৈ থিৰাং কৰা হৈছে আৰু কোনবোৰ পৰামৰ্শ ৰূপায়ণ কৰাৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু কি কাৰণত বিৰত থকাৰ সিদ্ধান্ত লোৱা হৈছে সেয়া পৰামৰ্শনুযায়ী জনাব।

(ঘ) অসম চুক্তিৰ ছয় নং দফা ৰূপায়ণ কি পৰ্য্যায়ত আছে জনাব।

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি যোৱা ১০ বছৰে দেশ অনুসৰি অসমৰ পৰা অবৈধ নাগৰিক প্ৰত্যাৱৰ্তন (Deportation / Sending Back / Expulsion) কৰাৰ তথ্য তলত উল্লেখ কৰা হ'ল:-

| বৰ্ষ | দেশ | | | | | | | | | প্ৰত্যাৱৰ্তন / বিতাড়নৰ সংখ্যা |
|---|---|---|---|---|---|---|---|---|---|---|
| | বাংলাদেশ | ম্যানমাৰ | আফগানিস্তান | পাকিস্তান | কেনিয়া | নাইজেৰিয়া | ইউক্ৰেইন | উগাণ্ডা | ৰাছিয়া | |
| ২০১৬ | ১৩ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ১৩ |
| ২০১৭ | ২৬ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ২৬ |
| ২০১৮ | ৫২ | ০৯ | ০২ | ০১ | ০ | ০১ | ০ | ০ | ০ | ৬৫ |
| ২০১৯ | ৭৮ | ০৯ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ৮৭ |
| ২০২০ | ৪৮ | ২১ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ৬৯ |
| ২০২১ | ৩৩ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ৩৩ |
| ২০২২ | ৪৪ | ০ | ০ | ০ | ০১ | ১৬ | ০২ | ০ | ০ | ৬৩ |
| ২০২৩ | ৫০ | ০ | ০ | ০ | ০ | ০ | ০ | ০১ | ০ | ৫১ |
| ২০২৪ | ০৮ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০৮ |
| ২০২৫ | ১৪১০ | ০ | ০ | ০ | ০ | ০১ | ০ | ০ | ০ | ১৮১১ |
| ২০২৬ (৩০-০৬-২০২৬ (লৈকে | ২৬১ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০২ | ২৬৩ |
| **সৰ্বমুঠ** | **২০২৩** | **৩৯** | **০২** | **০১** | **০১** | **১৮** | **০২** | **০১** | **০২** | **২০৮৯** |

ক্ৰমশঃ

(খ) অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল। এই বিষয়ত বিভিন্ন জাতীয়তাবাদী সংগঠনকে ধৰি সংশ্লিষ্ট অংশীদাৰসকলৰ সৈতে আলোচনা অব্যাহত আছে।

চৰকাৰে সকলো পক্ষৰ মতামত, ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শ্ৰী বিপ্লৱ কুমাৰ শৰ্মা উচ্চ পৰ্যায়ৰ সমিতিৰ পৰামৰ্শ আৰু আইনগত দিশসমূহ বিবেচনা কৰি উপযুক্ত সময়ত প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰিব।

(গ) অসম চুক্তিৰ ৬ নং দফাৰ অধীনত গঠন কৰা মাননীয় অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতি(High Level Committee)ৰ পৰামৰ্শ সমূহ ৰূপায়ণ কৰিবলৈ ইতিমধ্যে চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। ইয়াৰে বিতং তথ্য তলত উল্লেখ কৰা হ'ল:

২০২৪ চনৰ ৪ ছেপ্টেম্বৰত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত অসম চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে গঠন কৰি দিয়া অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতিৰ দাখিল কৰা প্ৰতিবেদনখন পৰীক্ষা কৰে। কেবিনেটে লগতে এটা মন্ত্ৰী গোট (Group of Ministers) গঠন কৰাৰ সিদ্ধান্ত লয়, যিয়ে সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অন্যান্য সংগঠনসমূহৰ সৈতে আলোচনা কৰি কেবিনেটে গ্ৰহণ কৰা সকলো পৰামৰ্শ ৰূপায়ণ কৰাৰ লক্ষ্যৰে এক স্পষ্ট ৰূপৰেখা (road map) আৰু ৰূপায়ণৰ গাঁথনি প্ৰস্তুত কৰিব।

ইয়াৰ পিছত, ২৫/০৯/২০২৪ তাৰিখে লোক সেৱা ভৱনত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত মন্ত্ৰী গোট, অসমৰ মুখ্য সচিব, অংশীদাৰ বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ সদস্যসকলৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত কেৱল ৰাজ্য চৰকাৰৰ একাধিপত্যৰ অধীনত থকা ৫২ টা পৰামৰ্শৰ লগতে যিবোৰ পৰামৰ্শৰ এটা অংশ অসম চৰকাৰে স্বতন্ত্ৰভাৱে ৰূপায়ণ কৰিব পাৰে, সেইবোৰ ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত সময়ভিত্তিক কাৰ্যসূচীৰ জৰিয়তে ৰূপায়ণৰ বাবে পদক্ষেপ লোৱা হ'ব। এই সন্দৰ্ভত, ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আছুৰ সৈতে হ'বলগীয়া পৰৱৰ্তী বৈঠকত দাখিল কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহে দাখিল কৰা কাৰ্যপন্থাৰ ভিত্তিত এটা খচৰা কাৰ্যপন্থা (draft action plan) প্ৰস্তুত কৰা হৈছে।

২০২৫ চনৰ ১৬ ফেব্ৰুৱাৰীত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, অংশীদাৰ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। এই বৈঠকত সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত, ন্যায়াধীশ বি.কে. শৰ্মা সমিতিৰ ৫২ টা পৰামৰ্শৰ ভিতৰত ৩৯ টা পৰামৰ্শৰ- যিবোৰ সম্পূৰ্ণৰূপে বা আংশিকভাৱে ৰাজ্য চৰকাৰৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত পৰে, সেইবোৰ ২০২৫ বৰ্ষৰ ভিতৰত ৰূপায়ণৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব। এই সন্দৰ্ভত অসম বাজেট ২০২৫-২৬ ত প্ৰয়োজনীয় বাজেট ঘোষণাও কৰা হৈছে।

তদুপৰি, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতিৰ বাকী ১৩ টা পৰামৰ্শৰ আলোচনাৰ বাবে ২০২৫ চনৰ ২২ নৱেম্বৰত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত তৃতীয় পৰ্যায়ৰ বৈঠকখনো অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে আৰু সংশ্লিষ্ট বিভাগসমূহক এই ১৩ টা পৰামৰ্শ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিয়া হয়। ইয়াৰ উপৰিও পোনপটিয়াভাৱে কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা বিপ্লৱ শৰ্মা সমিতিৰ ১৫ টা পৰামৰ্শৰ ওপৰত আলোচনা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগৰ ব্যৱস্থা কৰি থকা হৈছে ।

সংশ্লিষ্ট বিভাগসমূহৰ পৰা নিয়মীয়াকৈ Action Taken Report সংগ্ৰহ, তথা পৰ্য্যালোচনা কৰি পৰামৰ্শসমূহৰ অগ্ৰগতি নিৰীক্ষণ কৰি থকা হৈছে।

(ঘ) উত্তৰ '(গ)' দ্ৰষ্টব্য।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট "https://cms.neva.gov.in"ত আপলোড কৰা হৈছে।